অধ্যায় ৬ ঃ শংকৰদেৱ — *আদি দশম* - ১

অধ্যায় গাঁথনি

6.1 উদ্দেশ্য
6.2 পৰিচয়
6.3 *আদি দশম*
  6.3.1 বিষয়বস্তু
  6.3.2 অনুবাদ ৰীতি
  6.3.3 কাব্যিক সৌন্দর্য
6.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
6.5 অধিক জানিবলৈ
6.6 অগ্রগতিৰ খতিয়ান
6.7 আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শংকৰদেৱ বিৰচিত *আদি দশম*ৰ পৰিচয় লাভ কৰি গ্ৰন্থখনৰ বিষয়বস্তু সম্পৰ্কে অৱগত হ'ব
- *আদি দশম*ৰ অনুবাদ ৰীতি সম্পৰ্কে জানিব পাৰিব
- *আদি দশম*ৰ ৰস, ছন্দ আৰু অলংকাৰৰ প্ৰয়োগ বিষয়ে অৱগত হোৱাৰ উপৰি ইয়াৰ কাব্যিক সৌন্দর্য বিচাৰ কৰিব পাৰিব।

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি অসমীয়া ভক্তি সাহিত্য সম্পৰ্কে বহলাই অধ্যয়ন কৰিলে। শংকৰী তথা শংকৰোত্তৰ যুগত ভক্তি সাহিত্যৰ স্বৰূপ কেনে আছিল সেই বিষয়েও অধ্যায়টোৰ জৰিয়তে আপুনি জানিব পাৰিলে। এতিয়া আমি ভক্তি সাহিত্যৰ অন্তৰ্গত কিছু পাঠাংশ আলোচনা কৰিম। অসমীয়া ভক্তি সাহিত্যৰ অধ্যয়ন কৰিলে আমি শংকৰদেৱৰ ৰচনা অধ্যয়ন কৰিবই লাগিব। সেয়ে এইটো আৰু ইয়াৰ পৰৱৰ্তী অধ্যায়টোত শংকৰদেৱ বিৰচিত *আদি দশম*ৰ এক সম্যক পৰিচয় দাঙি ধৰি সেই গ্ৰন্থৰ দুটা আখ্যান আলোচনা কৰিম। এইটো অধ্যায়ত *আদি দশম*ৰ এক সামগ্ৰিক আলোচনা সন্নিৱিষ্ট কৰা হৈছে।

অসমীয়া বৈষ্ণৱ সাহিত্যৰ চাৰি পুথিৰ অন্তৰ্গক *দশম* বা *আদি দশম*ৰ বিষয়বস্তু, সাহিত্য হিচাপে *আদি দশম*ৰ বিশেষত্ব আৰু তাৰ অনুবাদ ৰীতি সম্পৰ্কে অধ্যায়টোত আলোচনা

ধন-সম্পদ, পত্নী-সন্তান, খ্যাতিমান ইত্যাদি অনিত্য। এইবোৰৰ মোহৰ পৰা মুক্তি হ'ব নোৱাৰিলে ভক্তি নোপজে। এই মায়ামোহৰ পৰা মুক্ত হৈ ঈশ্বৰত পদসেৱা কৰাৰ আৰু পদসেৱা কৰি পোৱা আনন্দৰ নামেই মুক্তি।

ইতিমধ্যে কৈ অহা কথাখিনিৰ পৰা আপুনি নিশ্চয় ধাৰণা কৰিব পাৰিছে যে, এটা নতুন ধর্মীয় জাগৰণৰ বাবে *ভাগৱতখনে* সমগ্ৰ ভাৰততে কিয় ইমান গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছিল। শংকৰদেৱৰ নেতৃত্বত গঢ় লৈ উঠা 'এক শৰণ ভক্তি ধর্ম' বা নৱ-বৈষ্ণৱ ধর্মৰ জাগৰণো মূলতঃ *ভাগৱত* আধাৰিত। *ভাগৱতৰ* মূল চৰিত্ৰ কৃষ্ণই শংকৰদেৱৰ ধর্মৰ একমাত্ৰ পৰম উপাস্য দেৱতা, সৃষ্টি-স্থিতি-প্ৰলয়ৰ অধিকাৰী, ভক্তৰ দুখহাৰী, প্ৰতি জীৱৰ প্ৰাণ। কৃষ্ণই যিহেতু 'জীৱ অংশে প্ৰবেশিলা গাৱে গাৱে'; এই কৃষ্ণই 'অগ নগ জগ তেৰি কায়া', গতিকে সর্বপ্ৰাণীৰ প্ৰতি 'সমতুল' ভাব শংকৰদেৱৰ ধর্মৰ অন্যতম আদর্শ। এনেদৰে শংকৰদেৱৰ ধর্মীয় জাগৰণৰ ভাব-আদর্শ, আচাৰ-ৰীতি, উপাসনা সকলোতে *ভাগৱতৰ* গভীৰ প্ৰভাৱ লক্ষণীয়। সেইবাবে শংকৰদেৱে জনগণক এই ধর্মীয় আদর্শৰ ফালে আনিবলৈ প্ৰথমেই জনগণৰ ভাষাত কৃষ্ণ কাহিনী প্ৰচাৰ কৰাৰ শিল্পসন্মত কৌশল অৱলম্বন কৰিছিল। শংকৰদেৱৰ দ্বাৰা সৃষ্ট আৰু তেৰাৰ অনুগামী অন্যান্য কবিসকলৰ দ্বাৰা কৃষ্ণ কাহিনীৰ যি বিশাল সাহিত্য ভাণ্ডাৰ সৃষ্টি হ'ল তাৰ সামান্য অংশহে মাত্ৰ মহাকাব্য বা অন্যান্য পুৰাণ আধাৰিত বাকী সকলো *ভাগৱতৰ* পৰা গ্ৰহণ কৰা।

শংকৰদেৱৰ সাহিত্যৰ এটা বিশেষ অংশ আগুৰি আছে *ভাগৱতৰ* অনুবাদে। তেওঁ *ভাগৱতৰ* প্ৰথম, দ্বিতীয়, একাদশ আৰু দ্বাদশ স্কন্ধৰ সম্পূর্ণ অনুবাদ কৰে। আনহাতে ষষ্ঠ স্কন্ধৰ অজামিল উপাখ্যান, অষ্টম স্কন্ধৰ 'অমৃত মথন' আৰু 'বলিচলন'ৰ কাহিনীভাগ অনুবাদ কৰাৰ উপৰি দশম স্কন্ধৰ আদিভাগ অসমীয়ালৈ অনুবাদ কৰে। *ভাগৱতৰ* কোনো কোনো অংশত প্ৰকাশিত কৃষ্ণভক্তিৰ মাহাত্ম্য আৰু এক শৰণ তত্ত্বৰ গুৰুত্ব বুজি অনুবাদৰ উপৰি মৌলিক কাব্য প্ৰতিভাৰে সুকীয়া অধ্যায় বা কাব্যৰূপেও ৰচনা কৰিছিল। যেনে শ্ৰীকৃষ্ণৰ শিশুলীলা *ভাগৱততো* আছে আৰু *কীর্তনৰ* এটা অধ্যায়তো আছে। *ৰুক্মিণীহৰণ* এখন কাব্য আৰু একে বিষয়বস্তুৰে এখন নাটকো আছে। একেদৰে কালী দমনৰ কাহিনী *দশমতো* আছে আৰু একে কাহিনীৰে এখন নাটকো আছে। ৰাসলীলাৰ কাহিনী *ভাগৱত, কীর্তন* আৰু *কেলিগোপাল* নাটকত নির্বন্ধ কৰিছে। শংকৰদেৱৰ ৰৰগীতৰাজিৰ মূল সুৰ, বিষয়বস্তু আৰু আদর্শও *ভাগৱতৰে*। এনেদৰে চালে দেখা যায় শংকৰদেৱৰ ধর্মীয় আদর্শ, সাহিত্য আৰু আদর্শৰ প্ৰধান উৎস আছিল *ভাগৱত পুৰাণ।*

অসমৰ ভক্তি ধর্মীয় পৰম্পৰাত চাৰি পুথি বুলিলে বুজায় *কীর্তন, দশম, ঘোষা (নামঘোষা)* আৰু *ৰত্নাৱলী।* পিছৰ দুখন মাধৱদেৱৰ ৰচনা। মন কৰিবলগীয়া, মাধৱদেৱৰ ৰচনা দুখন তত্ত্বপ্ৰধান আৰু শংকৰদেৱৰ ৰচনা দুখন কাহিনী প্ৰধান। অসমৰ লোকজীৱনত কৃষ্ণ বিষয়ক কাহিনীবোৰৰ ব্যাপক প্ৰভাৱৰ মূলতে শংকৰদেৱৰ *দশমৰ* প্ৰভাৱ বুলিব পাৰি। কৃষ্ণৰ কথা, ৰুক্মিণীৰ বিয়া আদিৰ পদাৱলীয়ে গঞা জীৱনতো সমাদৃত হৈ আছে।

ভাগৱতৰ দশম স্কন্ধ হ'ল কৃষ্ণৰ সামগ্ৰিক জীৱনলীলাৰ কাহিনী। *দশমৰ* কাহিনীৰ আকর্ষণীয়তাৰ মূল কাৰণ হ'ল কৃষ্ণৰ মানৱীয় আৰু ঐশ্বৰিক লীলাৰ যুগপৎ সমাহাৰ, অপূর্ব

*আদি দশম*তো 'কৃষ্ণৰ কিংকৰ' ৰূপে পোৱা যায়। এগৰাকী পণ্ডিতৰ ভাষাত— "*আদি দশম*ৰ ভাষাৰ গাম্ভীৰ্যপূৰ্ণ লালিত্য, কাহিনীৰ নিৰবচ্ছিন্ন লীলায়িত গতি, শব্দচয়ন আৰু অলংকাৰ প্ৰয়োগৰ নিপুণতা আদিৰ পৰাও অনুমান কৰিব পাৰি যে *আদি দশম* শংকৰদেৱৰ শেষ বয়সৰ ৰচনা। ভক্তিৰ গভীৰতা, কল্পনাৰ মাধুৰ্য, ছন্দৰ লালিত্য আদিলৈ লক্ষ্য কৰি *আদি দশম*ক শংকৰদেৱৰ ভক্ত জীৱনৰ সৰ্বশ্ৰেষ্ঠ কৃতি বুলিও সাব্যস্ত কৰা হয়।" *আদি দশম*ত কৃষ্ণ জন্মৰ পৰা গোপী উদ্ধৱ সংবাদলৈকে বিষয়বস্তু সামৰা হৈছে। 'গোপী উদ্ধৱ সংবাদ' অংশটি *আদি দশম*ৰ শেষছোৱা যদিও শংকৰদেৱে কৰা ৰচনাৰ ফালৰ পৰা এইছোৱাহে আগ। শংকৰদেৱে ধৰ্মপ্ৰচাৰৰ পাতনি মেলোতেই 'গোপী উদ্ধৱ সংবাদ' অংশটি ৰচনা কৰি পুথিখনি থাপনাত পাতি ৰাম ৰাম গুৰুকে আদি কৰি ব্ৰাহ্মণসকলক শৰণ দিয়াৰ কথা গুৰুচৰিতত পোৱা যায়।

*আদি দশম*ত কৃষ্ণৰ জন্মৰ পৰা শৈশৱৰ লীলাই প্ৰধানতঃ বৰ্ণিত হৈছে। এই দশম স্কন্ধৰ এই অংশৰ বিষয়বস্তুসমূহ এনে ধৰণৰ— পৰীক্ষিত ৰজাৰ শ্ৰীকৃষ্ণ জন্মবিষয়ক প্ৰশ্ন, দৈৱকীৰ লগত বসুদেৱৰ বিবাহ, দৈৱবাণী শুনি কংসই দৈৱকীক বধ কৰিবলৈ উদ্যত হোৱা, কিন্তু নাৰদৰ উপদেশত দৈৱকী-বসুদেৱক কাৰাগাৰত আৱদ্ধ কৰা আৰু তেওঁলোকৰ পুত্ৰবধ, দৈৱকীৰ গৰ্ভত কৃষ্ণৰ (বিষ্ণুৰ) আৱিৰ্ভাৱ, বসুদেৱ-দৈৱকীৰ কৃষ্ণস্তুতি, বসুদেৱৰ দ্বাৰা নন্দৰ ঘৰত কৃষ্ণক থৈ যশোদাৰ কন্যা গ্ৰহণ, কংসৰ দ্বাৰা যোগমায়া বধৰ বৃথা চেষ্টা, যোগমায়াৰ দ্বাৰা কংস শত্ৰুৰ জন্ম-কথন, নন্দোৎসৱ, বসুদেৱৰ নন্দৰ সাক্ষাৎ, পুতনা বধ, শ্ৰীকৃষ্ণৰ অভিষেক আৰু ৰক্ষাবিধান, শকত ভঞ্জন, তৃণাৱৰ্ত বধ, কৃষ্ণৰ মুখৰ ভিতৰত যশোদাৰ বিশ্বদৰ্শন, যমলাৰ্জুন ভংগ, বৎসাসুৰ আৰু অঘাসুৰ বধ, বকাসুৰ বধ, ব্ৰহ্মাৰ মোহনাশ, ব্ৰহ্মাৰ কৃষ্ণস্তুতি, ধেনুকাসুৰ বধ, কালী দমন, বনাগ্নিপান, প্ৰলম্বাসুৰ বধ, পশু আৰু গোপগণক দাবাগ্নিৰ পৰা ৰক্ষা, বৰ্ষা বৰ্ণন, শৰৎ বৰ্ণন, গোপীসকলৰ কাত্যায়নী ব্ৰত, গোপীৰ বস্ত্ৰহৰণ, বিপ্ৰপত্নী প্ৰসাদ, ইন্দ্ৰযজ্ঞ নিবাৰণ, গোৱৰ্ধন ধাৰণ, বৰুণালয়ৰ পৰা ইন্দ্ৰ উদ্ধাৰ, ৰাসলীলা, শংখচূড় বধ, অৰিষ্টাসুৰ বধ, কৃষ্ণ-বলৰামৰ মথুৰা গমন, অক্ৰূৰৰ কৃষ্ণস্তুতি, কৃষ্ণ-বলৰামৰ মথুৰা প্ৰবেশ আৰু মল্লৰংগ প্ৰবেশ, মল্লক্ৰীড়াৰ উদ্যোগ, কংস বধ, উগ্ৰসেনৰ ৰাজ্যাভিষেক, উদ্ধৱৰ ব্ৰজগমন আৰু উদ্ধৱৰ মথুৰালৈ প্ৰত্যাবৰ্তন। ইয়াৰ পিছতে গোপী উদ্ধৱ সংবাদৰ বিষয়বস্তুখিনি সামৰা হৈছে।

উপৰিউক্ত বিষয়সূচীলৈ মন কৰিলে দেখা যায় *আদি দশম*ত মূলতঃ কৃষ্ণৰ জন্মৰ অতিলৌকিক বৃত্তান্ত, কৃষ্ণৰ শৈশৱৰ লীলা মাহাত্ম্য, অসুৰ নিধন, গোপীসকলৰ সৈতে কৃষ্ণৰ ৰাসক্ৰীড়া আৰু গকুলৰ জনজীৱনৰ সৈতে কৃষ্ণৰ আত্মীয়তা — এইকেইটা বহল ভাগত ভগাব পাৰি। *আদি দশম*ৰ কাহিনীসমূহৰ মন কৰিবলগীয়া দিশ হ'ল এইবোৰত সাধুকথাৰ দৰে অতিলৌকিক আৰু ৰোমাঞ্চকৰ উপাদানৰ সমাৱেশ। কৃষ্ণৰ জন্মত হোৱা দৈৱবাণী, যোগমায়াৰ কাৰ্যকলাপ, অসুৰ নিধনৰ ক্ষেত্ৰত শিশুকৃষ্ণৰ অবাস্তৱ বীৰত্ব, কৃষ্ণৰ যমলাৰ্জুন ভংগ, কৃষ্ণৰ মুখগহ্বৰত যশোদাৰ বিশ্বব্ৰহ্মাণ্ড দৰ্শন, ব্ৰহ্মাৰ

৬.৩.২ অনুবাদ ৰীতি

শংকৰদেৱৰ আনবোৰ অনুবাদমূলক ৰচনাৰ দৰে *আদি দশমো* মূলতঃ উদ্দেশ্যধর্মী। ভক্তি আদর্শ প্রচাৰেই ইয়াৰ উদ্দেশ্য। গতিকে উদ্দেশ্যৰ লগত সংগতিপূর্ণ মূলৰ অংশসমূহৰ ওপৰত স্বাভাৱিকতে সর্বাধিক গুৰুত্ব দিছিল বুলি ভাবিব পাৰি। অর্থাৎ *আদি দশমৰ* যি বিৱৰণে কৃষ্ণ মাহাত্ম্য, ভক্তিতত্ত্বক যথার্থ ৰূপত দাঙি ধৰিছে সেই অংশ অনুবাদৰ বেলিকা শংকৰদেৱে মূলক হুবহু ৰূপত ৰাখিছে বা মূলৰ কথা বহলাই আলোচনা কৰিছে। যেনে— ৰাসলীলা অংশ। আনহাতে উদ্দেশ্যৰ ফালৰ পৰা সামগ্রিকভাৱে কম গুৰুত্বপূর্ণ অংশ তেওঁ কম কথাতে সামৰি থৈছে। কেতিয়াবা পাঠক-শ্রোতাৰ গ্রহণযোগ্যতালৈ লক্ষ্য ৰাখি বিষয়বস্তুক নতুন ৰূপত সজাইছে; বহুক্ষেত্রত স্থানীয় নৈসর্গ, স্থানীয় জীৱন প্রবাহৰ আধাৰত কাহিনীৰ আনুষংগিক উপাদানবোৰ নতুন বিন্যাসত অংকন কৰিছে। সমালোচক হৰিনাথ শর্মাদলৈয়ে কৈছে— "প্রথমতে, ইয়াৰ অনুবাদৰ কোনো কোনো অংশ মূলানুগ; দ্বিতীয়তে, কোনো কোনো অংশ মূলার্থ প্রকাশক, অথচ সংক্ষিপ্ত; তৃতীয়তে, কোনো কোনো অংশ মূলার্থ সুস্পষ্টকাৰক নহয়; চতুর্থতে, কোনো কোনো অংশ আকৌ মূলার্থৰ বিস্তৃতিকাৰক। ইয়াৰ উপৰি আন কথা এই যে— পঞ্চমতে, ইয়াত শ্রীধৰ স্বামীৰ ওপৰত মহাপুৰুষ বিশেষভাৱে নির্ভৰশীল। ষষ্ঠতে, কঠিন-দার্শনিক বা তাত্ত্বিক কথাৰ পৰিহাৰ; সপ্তমতে, মাজে মাজে কৃষ্ণভক্তি মাহাত্ম্যসূচক ভণিতাৰ সংযোগ আৰু অষ্টমতে, ইয়াৰ সামগ্রিক ৰূপ অনুপম কাব্যিক নিদর্শন।"

শংকৰদেৱৰ কবিসত্তা তথা শিল্পীসত্তাৰ লগতো অনুবাদ ৰীতিৰ সম্পর্ক আছে। এজন ধর্ম প্রচাৰক ৰূপে গুৰুজনাই ঈশ্বৰতত্ত্বৰ কথাৰে মানুহৰ চিৰন্তন মানৰীয় প্রবৃত্তিৰ সংযমশীলতা আৰু লৌকিক জীৱনৰ অনিত্যতাৰ কথা কৈছে। আনহাতে কবি-শিল্পী হিচাপে জীৱনৰ ৰূপ-ৰস-গন্ধ-স্পর্শ ভৰা গাঢ় অনুভূতিশীলতা আৰু ৰসানুভূতি প্রকাশ কৰিছে। সেয়ে নাৰীদেহৰ বর্ণনা, প্রকৃতি বর্ণনা, শৃংগাৰ ৰসাত্মক বিৱৰণ, মানৰীয় কাৰুণ্য, প্রেম আৰু মানৰীয় সম্পর্কৰ বাস্তৱতাৰ চিত্র ইমান সজীৱ ৰূপত শংকৰদেৱৰ *আদি দশমত* দেখিবলৈ পাওঁ। সেয়ে শংকৰদেৱে *আদি দশমৰ* অনুবাদত মূলত নথকা বা ইংগিত মাত্র থকা প্রসংগক নিজৰ সৃষ্টিশীল শিল্পবোধসম্পন্ন মনৰ কল্পনাই কেতিয়াবা বিস্তাৰিত কৰাও দেখা যায়। যেনে— *ভাগৱতৰ* দশম স্কন্ধৰ 29তম অধ্যায়ৰ 46 সংখ্যক শ্লোকটোৰ মাজেৰে কোৱা হৈছে যে শ্রীকৃষ্ণই গোপীসকলক ৰমণ কৰিবলৈ প্রবৃত্ত হৈ গোপীসকলক বাহু মেলি আলিংগন কৰিলে, বাহু, উৰু, চুলি, স্তন আদি স্পর্শ কৰাৰ উপৰি নখেৰে ক্ষতও কৰিলে আৰু হাঁহি-পৰিহাসেৰে কাম বৃদ্ধি কৰি ৰমণ কৰিবলৈ বুলি প্রবৃত্ত হ'ল। এইখিনি কথাৰ অনুবাদ কৰিবলৈ গৈ শংকৰদেৱে লিখিছে—

বাহু মেলি আলিংগি গোপীক কতো ধৰি।
কাহাৰো তনত নখে পৰশন্ত হৰি।।

যায়। যেনে নন্দোৎসৱ আৰু পুতনা বধৰ প্ৰসংগলৈ আঙুলিয়াব পাৰি। আনহাতে, কেতিয়াবা মূলৰ শ্লোকৰ অৰ্থ স্পষ্ট কৰিবলৈ দীঘলীয়াকৈ বিৱৰণ দিছে। তেজস্বীৰ যে ধৰ্ম ব্যতিক্ৰমত দোষ নাই সেই কথা ক'বলৈ মূলৰ 10¼33¼29 নং শ্লোকটো অনুবাদ কৰি শংকৰদেৱে ব্ৰহ্মাই নিজ দুহিতাক ৰমণ কৰা, চন্দ্ৰই গুৰু ভাৰ্যাক হৰণ কৰি দিয়া, ইন্দ্ৰই অহল্যাক কামপীড়াত হৰণ কৰা, বিশ্বামিত্ৰই মেনকা অপেস্ৱৰীৰ সৈতে সংগম কৰা উদাহৰণ দিছে নিজাকৈ। এনে বিৱৰণৰ দোষ এৰাবৰ বাবেই শংকৰদেৱে 'ব্যাসো দেন্ত কথাত ৰঞ্জন' বুলি কৈ থৈছে। আনহাতে ধৰ্মশাস্ত্ৰ হ'লেও কবি-শিল্পী শংকৰদেৱে *ভাগৱতক* কবিতাৰ দৃষ্টিৰেও চাইছিল বাবে 'কাব্যৰস নিবন্ধন' বুলি কৈছে। সেয়ে কথাৰ বঢ়া-টুটাৰ দোষ নধৰিবলৈও পাঠকলৈ নিবেদন কৰি থৈছে।

ইতিমধ্যে কোৱা হৈছে উদ্দেশ্য আৰু কাব্যৰসৰ ফালৰ পৰা বিশেষ গুৰুত্বপূৰ্ণৰূপে বিবেচিত নোহোৱা শ্লোক শংকৰদেৱে কম পদতে সামৰি থৈছে। উদাহৰণ স্ৱৰূপে প্ৰথম অধ্যায়ৰ 19–25 সংখ্যক পদৰ কথা চাৰিটা পদত, 62–69 সংখ্যক শ্লোকৰ কথা 48–53 সংখ্যক পদত সামৰিছে।

আদি দশম গ্ৰন্থখন অসমীয়া সমাজত জনপ্ৰিয় হোৱাৰ মূলতে আছে সহজ বোধগম্যতা, আখ্যানধৰ্মিতা। কিন্তু মূলত সি সমানেই তত্ত্বমূলকো। শংকৰদেৱে তত্ত্বকথাক যথাসম্ভৱ বাদ দিছে বা সৰল কৰিছে। সেইবাবে মূলৰ অনেক শ্লোক পৰিহাৰ কৰিছে আৰু তাৰ ঠাইত নতুন বিষয় সংযোজন কৰিছে।

শংকৰদেৱে যদিও অধ্যায় বিভাজন মানি চলা নাই, তথাপি আখ্যান একোটাৰ সামৰণিৰ ফালে মাজে মাজে নিজাকৈ যিখিনি ভণিতা দিছে সেয়া শংকৰদেৱৰ মৌলিক ৰচনা। যেনে *দশমৰ* 1–5 নং পদ, 43–47 নং পদ ইত্যাদি। এই ভণিতাবোৰ কৃষ্ণৰ ৰূপ-গুণ, শক্তি-মাহাত্ম্যসূচক লগতে কৃষ্ণ ভক্তিৰ উপদেশমূলক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) শংকৰদেৱৰ অনুবাদত শ্ৰীধৰস্বামীৰ *ভাৱাৰ্থদীপিকা* টীকাৰ গভীৰ প্ৰভাৱ অনুভূত হয়।

খ) শংকৰদেৱে *আদি দশমত* মূলৰ অধ্যায় বিভাজনেই মানি চলিছে।

.....

৬.৩.৩ কাব্যিক সৌন্দৰ্য

সকলো সাহিত্য বা কাব্যই গঠিত হয় চাৰিটা উপাদানেৰে — বৌদ্ধিক, কল্পনালৌকিক, আনুভূতিক আৰু শিল্প সংক্ৰান্তীয়। ইন্দ্ৰিয়জ সংবেদনক কবি-সাহিত্যিকৰ মননশীলতাই অন্য এক পৰ্যায়ৰ উপলব্ধিলৈ ৰূপান্তৰ কৰে; তেওঁলোকে কল্পনাৰে এনে

আৰু মাতৃ যশোদাৰ পুত্রস্নেহৰ মাজত বাৎসল্য ৰসৰ প্রকাশ ঘটিছে। তাৰ বিপৰীতে কালিনাগ, কংস, চানূৰ, বকাসুৰ, অঘাসুৰ ইত্যাদি চৰিত্রবোৰৰ শক্তি, ক্রোধ আৰু বীৰত্বৰ প্রকাশ যথার্থতেই বীৰ ৰসৰ প্রকাশ। কাহিনীকথনৰ মাজে মাজে নাৰীদেহৰ ইন্দ্রিয়ানুকুল বর্ণনা, ৰাসলীলাৰ কৃষ্ণ-গোপীৰ সান্নিধ্যৰ বাসনা আৰু দৈহিক মিলনৰ বর্ণনা শৃংগাৰ ৰসৰ সার্থক উদাহৰণ।

আদি দশমত ৰস সৃষ্টিৰ বহু মুহূর্ত কবিয়ে এক সৰলৰৈখিক গতিৰে এৰি গৈছে। কৃষ্ণ চৰিত্রৰ মহত্ত্ব তুলি ধৰা উদ্দেশ্যৰ প্রতি সজাগতাৰ বাবে অন্য ৰসৰ প্রতি কবিৰ আগ্রহ যেন কমি গৈছে। কিন্তু তাৰ মাজতো শৃংগাৰ আৰু বাৎসল্য ৰসৰ প্রকাশত কবিয়ে কার্পণ্য কৰা নাই। আনহাতে কোনো এটা ৰসৰ চূড়ান্ত প্রকাশৰ মুহূর্ততে বর্ণনাই কৃষ্ণৰ ৰূপ-মহিমালৈ মনোযোগ স্থানান্তৰ কৰিছে। যেনে— যমলার্জুন ভংগৰ কাহিনীত যশোদাই কৃষ্ণক বান্ধিবলৈ লৈছে, কিন্তু বান্ধিব পৰা নাই। ইয়াত মাতৃৰ খণ্ডত হিংস্রতা বা উগ্রতা নাই; আছে এক দায়বদ্ধ মাতৃৰ মমতাৰহে ব্যঞ্জনা। এই ব্যঞ্জনাই বাৎসল্য ৰসক উজ্জ্বল কৰিছে — মাকৰ ভয়ত কৃষ্ণৰ 'তনু তৰতৰ' হোৱা দেখি আচাৰি লৈ মাৰিবলৈ খেদি যোৱা যশোদাই 'বাৰি এৰিলা হাতৰ'। এই যে হাতৰ আচাৰি পেলাই দিলে তাতেই বাহ্যিক খণ্ডৰ আঁৰত লুকাই থকা দায়িত্বশীলা মাতৃৰ হৃদয়ৰ অফুৰন্ত পুত্রস্নেহ তথা বাৎসল্য ৰসৰ প্রকাশ ঘটিছে। কিন্তু এই ৰসৰ পেৰাত চিত্ত জুবুৰিয়াবলৈ নৌ পাওঁতেই কোৱা হ'ল—

নজানন্ত গোপীকেন প্রভাৱ কৃষ্ণৰ।
নাহি পূর্বাপৰ যাৰ বাহিৰ ভিতৰত।।

—অর্থাৎ বাৎসল্য ৰসক ভেটা দি শান্ত ৰসৰ শান্ত সুঁতি।

এনেদৰে পুতনাৰ অদ্ভুত অস্বাভাৱিক শৰীৰটো কুঠাৰে টুকুৰা টুকুৰ কৰিহে আঁতৰাবলগীয়া কথাত বীভৎস ৰসৰ প্রকাশ ঘটিছে। কিন্তু যি দুখন চৰণ ভকতে সদায় সেৱা কৰে, সেই দুখন ভৰিৰ স্পর্শত পুতনাৰ শৰীৰ ধন্য হোৱাৰ বাবে পুতনাৰ শৰীৰৰ পৰা সুগন্ধ বাহিৰ হোৱা বর্ণনাই সেই বীভৎস ভাব নিমিষতে নোহোৱা কৰিছে। এনেদৰে বিচাৰ কৰিলে দেখা যায় যে, *আদি দশমত* শৃংগাৰ, বীৰ, হাস্য, কৰুণ, ৰৌদ্র আদি কোনো ৰসেই অংগীৰস নহয়, সকলো শেষত শান্ত ৰসৰ অতল সমুদ্রত বিলীন হৈছে। ভক্তিৰ দৃষ্টিৰে কৃষ্ণৰ কর্মৰ মাজত কোনো পার্থিৱ সম্পর্ক (attachment) নাই, ই ঈশ্বৰৰ লীলা। কিন্তু একেখিনি বর্ণনাই একে সময়তে ইন্দ্রিয়গ্রাহ্য জীৱন-জগতৰ ৰূপ-ৰস-গন্ধ-স্পর্শৰে জীৱন্ত কৰি তোলাত শংকৰদেৱ সফল।

আদি দশমত শংকৰদেৱৰ অন্যান্য ৰচনাত ব্যৱহৃত ছন্দৰ বাহিৰে সুকীয়া ছন্দৰ প্রয়োগ কৰা নাই। *আদি দশম* পদ, ছবি, দুলড়ি, ঝুমুৰি ছন্দতে বর্ণিত হৈছে। সাধাৰণতে উপদেশসমূহত ছবি-ছন্দ ব্যৱহাৰ কৰা হৈছে যদিও কোনো ক্ষেত্রত পদ ছন্দৰ ব্যৱহাৰো ঘটিছে। ঘটনাৰ বিৱৰণ বেছিভাগ ক্ষেত্রতে পদ ছন্দত, কেতিয়াবা দুলড়ি ছন্দ আৰু ঝুমুৰি ছন্দ ব্যৱহাৰ কৰিছে।

এই আত্মমুক্তিৰ উপলব্ধিতেই কাহিনীসমূহৰ সার্থকতা। সমাজৰ অৱহেলিত, শোষিত সাধাৰণ জনতাই কৃষ্ণৰ বীৰত্ব, সাহস আৰু আনৰ বাবে নিজৰ জীৱনকো তুচ্ছ কৰা অদম্য অতুচ্চ আগ্রহ দেখি শোষণ-তোষণৰ অৱসান ঘটাৰ কাল্পনিক আশ্বাসত জীয়াই থকাৰ উদগ্র হেঁপাহ অনুভৱ কৰে। কিন্তু পিছ মুহূর্ততে মনত পেলাই দিয়ে কৃষ্ণ স্বয়ং ভগৱান আৰু ভগৱানৰ চৰণত নিজৰ সর্বস্ব সঁপি দি পুনৰ আশ্বস্ত হৈ সংগ্রামৰ অৱসাদ পাহৰে। সর্বসাধাৰণৰ মাজত যুগ যুগ ধৰি কৃষ্ণ কাহিনীৰ জনপ্রিয়তাৰ কাৰণ এয়ে।

আদি দশমৰ বর্ণনাশৈলীত কেবাটাও কথা মন কৰিবলগীয়া। এই গ্রন্থ মূলতঃ আখ্যানমূলক যদিও মাজে মাজে ইয়াত উপদেশ বা অন্য প্রসংগত সৰল তত্ত্বকথা আৰু ভক্তিৰ মাহাত্ম্যও প্রকাশ কৰা হৈছে। কাহিনী কথন আৰু তত্ত্ব-মাহাত্ম্য কথনত বর্ণনাৰ দুটা ভিন্ন ৰূপ দেখা যায়। প্রথমটো আবেগ-অনুৰাগৰঞ্জিত সৰস আৰু আনটো নিস্তৰংগ আৰু উদাস। কিন্তু ভক্তি-তত্ত্ব-মাহাত্ম্য প্রকাশক বর্ণনাসমূহতো কবিৰ সৃজনীশীল কৌশলগত বর্ণনাৰ বাবে বিৰক্তিকৰ হোৱা নাই। বক্তব্যবিষয় এটা চৰণৰ পৰা আনটো চৰণলৈ বাগৰি যোৱা কৌশলৰ ফলত পাঠকৰ বাবে ই সাৱলীল হৈ পৰিছে। আনহাতে বিমূর্ত বিষয় একোটাক যথার্থ ৰূপত মূর্ত বিষয়ৰ উপমাৰে প্রকাশ, ক্ষণভংগুৰ জীৱনৰ গতিপথত কৃষ্ণভক্তিৰ সাৰথি ৰূপক সাব্যস্ত কৰাত একান্ত নিষ্ঠা আৰু গভীৰ প্রত্যাশা ভৰা আহ্বানে পাঠকৰ অন্তৰতো আশাৰ সঞ্চাৰ কৰে। কাব্যত বর্ণনাকুশলতা সম্পর্কে আলোচক প্রফুল্লদত্ত গোস্বামীয়ে লিখিছে— "দেৱ-দেৱীৰ ৰূপ, অলৌকিক নগৰ, উপবন আদিৰ ছবিৰ আভাস স্পষ্ট ৰৈখিক বর্ণনাৰে দিলে কবিৰ উদ্দেশ্যৰ হানি হয়। এনে বর্ণনাত লাগে অলপ অস্পষ্টতা, ইংগিত, শব্দৰ ধ্বনি। ...মানুহে চকুৰে যিবিলাক সৌন্দর্য ভোগ কৰিব নোৱাৰে সেইবিলাকৰ সৌন্দর্য কল্পনাই দেখুৱায়। ইংগিত, ব্যঞ্জনা আৰু কল্পনাৰ ওচৰ সম্বন্ধ।"

এনেদৰে *আদি দশমৰ* কাব্যিক সৌন্দর্যক বিভাজন কৰি আলোচনা কৰা হৈছে যদিও এই আটাইবোৰৰ সামগ্রিকতাতহে *আদি দশমৰ* প্রকৃত সৌন্দর্য প্রকাশ পাইছে। ভাব-ভাষা-প্রকাশভংগী আৰু সৃজনীমূলক কৌশল এই প্রতিটোৰ সুসামঞ্জস্যইহে *দশম*খনক অনুপম কাব্যৰূপ দিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ *আদি দশমৰ* মুখ্য ৰস কি?

.....

প্রশ্ন নং ৭ ঃ *আদি দশমত* প্রয়োগ হোৱা কেইটামান ছন্দৰ নাম লিখক।

.....

3] দেৱগোস্বামী, কেশৱানন্দ (সম্পা.) [1989]Ê, *শ্রীমন্ত শংকৰদেৱ বিৰচিত শ্রীমদ্ভাগৱত (দশম স্কন্ধ) (আদি ভাগ);* গুৱাহাটী ঃ বনলতা।

4] মহন্ত, কেশদা [2003]Ê, *কাব্যতত্ত্ব দৃষ্টিৰে শংকৰদেৱৰ কাব্য;* গুৱাহাটী ঃ বনলতা।

5] শইকীয়া, নগেন (সম্পা.) [2010]Ê, *বেজৰৱা ৰচনাৱলী* [2য় খণ্ড); গুৱাহাটী ঃ বনলতা।

6] শইকীয়া, চন্দ্রপ্রসাদ (সম্পা.)(ছেপ্টেম্বৰ, 1998]Ê, *গৰীয়সী;* গুৱাহাটী।

7] শইকীয়া বৰা, ইন্দিৰা [2005]Ê, *বৈষ্ণৱ সাহিত্যৰ অধ্যয়ন;* গুৱাহাটী

8] শর্মা দলৈ, হৰিনাথ [1995]Ê, *শংকৰদেৱৰ সাহিত্য প্রতিভা (2য় খণ্ড);* নলবাৰী ঃ জার্ণল এম্প'ৰিয়াম।

9] শর্মা, মুকুন্দ মাধৱ [1991]Ê, *ধ্বনি আৰু ৰসতত্ত্ব;* গুৱাহাটী ঃ বাণী প্রকাশন।

10] শর্মা, শশী [1993]Ê, *আদি দশম ঃ এটি বিজ্ঞানসম্মত ঐতিহাসিক বিশ্লেষণ;* নলবাৰী ঃ সমন্বয় গ্রন্থালয়।

ইংৰাজী গ্রন্থ

11] Dev Goswami, R. K. (ed.) (1996). *Essays on Sankaradeva.* Guwahati: Forum for Sankaradeva Studies.

৬.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বেদত বিষ্ণু এজন সাধাৰণ দেৱতা; *মহাভাৰতত* কৃষ্ণ সর্বশক্তিমান দেৱতা আৰু বিষ্ণুৰ অৱতাৰ; *ভাগৱত পুৰাণত* 'কৃষ্ণস্তু ভগৱান স্বয়ম'— কৃষ্ণই স্বয়ং ভগৱান।

২ নং প্রশ্নৰ উত্তৰ ঃ বাৰটা স্কন্ধ আছে।

৩ নং প্রশ্নৰ উত্তৰ ঃ পণ্ডিতসকলে অনুমান কৰে যে শংকৰদেৱ পাটবাউসীত থাকোঁতে *আদি দশম* ৰচনা কৰিছিল।

৪ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৫ নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ।

৬ নং প্রশ্নৰ উত্তৰ ঃ *আদি দশমৰো* মুখ্য ৰস শান্ত ৰস।

৭ নং প্রশ্নৰ উত্তৰ ঃ *আদি দশম*পদ, ছবি, দুলড়ি, ঝুমুৰি ছন্দতে বর্ণিত হৈছে।